# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAY-2026 **Time :** 1100 HRS

***Assamese 11 AM Bulletin***

——————————————

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হ'বলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সন্দৰ্ভত ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিগতভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। তামুলপুৰ, ধেমাজি, শিলচৰ, মৰিগাঁও জিলাত কালি লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী কাইলৈকে চলিব।

00000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ অনুষ্ঠিত হৈছে। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে জনোৱা অনুসৰি ৰাজ্যৰ মুঠ ১১৬টা কেন্দ্ৰত কাইলৈৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হৈছে। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰে।

00000

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। এই বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰে।

000000

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী ৰামেশ্বৰ তেলী উপস্থিত আছে। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব।

000000

ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে কামৰূপ আৰু শদিয়া সমজিলাৰ দুটা স্থানত ছোৱাইন ফ্লুৰ প্ৰদুৰ্ভাব ধৰা পৰালৈ চাই বিশেষ সতৰ্কতা অৱলম্বন কৰিছে আৰু সকলো জিলাকে সন্তম হৈ থাকিবলৈ নিৰ্দেশ দিছে। বিভাগে শদিয়া সমজিলাৰ উত্তৰ ৰংপুৰীয়া গাঁৱত গাহৰিৰ দেহত এই ৰোগ ধৰা পৰাৰ পাছত অভিকেন্দ্ৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক আক্ৰান্ত অঞ্চল হিচাপে চিনাক্ত কৰি গাহৰিৰ মাংস আৰু গাহৰিৰ বিক্ৰী সম্পূৰ্ণৰূপে বন্ধ কৰিছে। পশু পানল বিভাগে আজিৰ ভিতৰত আক্ৰান্ত গাহৰিসমূহ নিধন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শদিয়াৰ পৰা অন্য জিলা তথা অৰুণাচল প্ৰদেশলৈ গাহৰিৰ মাংস অথবা গাহৰি মাংসৰ সামগ্ৰী প্ৰেৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। প্ৰশাসনে ৰাইজক আতংকিত নহ'বলৈ আৰু এই ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। অৱশ্যে যোৱা বছৰ ছোৱাইন ফ্লুৱে মাৰাত্মক ৰূপ লোৱা ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, ডিব্ৰুগড় আদি জিলাত বৰ্তমানলৈকে কোনো গাহৰিৰ দেহত এই ৰোগ ধৰা পৰা নাই।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় আজি প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে আজি দিনৰ ২ বজাত এই ৰায় দিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও আজি অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় দিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে প্ৰথমখন এলিমিনেটৰক ছান ৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি দ্বিতীয়খন কোৱালিফায়াৰত স্থান নিশ্চিত কৰাৰ বিপৰীতে গুজৰাট টাইটানছ প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল।

০০০০০০

**সমাপ্ত**